# অষ্টম অধ্যায়

## : অষ্টম অধ্যায় :

## ০.০৮.০০ সাময়ৰণি ::

''অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ মিত্ৰদেৱ মহন্তৰ অৰিহণা : এটি পৰ্যালোচনা'' শীৰ্ষকেৰে অৱতাৰণা কৰা আলোচনাত পূৰ্ববৰ্তী অধ্যায় সমূহত মিত্ৰদেৱ মহন্তৰ বিচিত্ৰ কৰ্মময় জীৱন আৰু অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ আগবঢ়োৱা অৱদানসমূহক পাৰ্যমানে সূক্ষ্ম আৰু নিয়ৰিকৈ ঐতিহাসমূলক প্ৰণালীৰে পৰ্যালোচনা কৰিবলৈ যতন কৰা হৈছে তথাপি দুই এটা দিশত কেতিয়াবা অজানিতে বৰ্ণনামূলক পদধতিকো চুই যে যোৱা নাই তাক নুই কৰিব নোৱাৰি ।

মিত্ৰদেৱ মহন্তৰ পিতাক আৰু ককাক আছিল মাজুলীত থকা শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ । বংশানুক্ৰমে মহন্ত এক সাংস্কৃতিক পৰিৱেশৰ মাজতেই তেওঁৰ দীঘল হৈছিল আৰু পিতাক আৰু ককাকৰ পৰা পোৱা শিক্ষা-দীক্ষাৰ মাজেৰে তেওঁৰ বাল্য জীৱন আৰম্ভ হৈছিল আৰু এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰাৰ পাছত কটন কলেজৰ পৰা উচ্চ শিক্ষা অৰ্থাৎ আই- এ পৰীক্ষা পাছ কৰাৰ পৰাই গোটেই জীৱন শিক্ষকতা কৰি অৱসৰ লৈছিল । শিক্ষক জীৱনৰ ওৰ পেলায়েই মিত্ৰদেৱ মহন্তই শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ পদত অধিস্থিত হয় ।

সত্ৰাধিকাৰ পদত অধিস্থিত হোৱাৰ পিছতহে যে তেওঁ সত্ৰ-সংস্কৃতিৰ লগত জড়িত হৈ পৰিছিল এনে নহয় । তেওঁ বাল্যকালৰে

পৰাই সত্ৰ-সংস্কৃতিৰ লগত জড়িত থাকি জীৱনৰ শেষ বয়সলৈকে নাট - ভাওনা, সত্ৰ-সংস্কৃতি, মেল-মিটিং, ভাওনা-সবাহ আদি বিভিন্ন অনুষ্ঠানৰ লগত নিজক জড়িত ৰাখিছিল । সাহিত্য সংস্কৃতি বিষয়ক অনুষ্ঠান প্ৰতিষ্ঠান আদিত তেওঁ উচ্চ আদৰ্শ আগত ৰাখি সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু সেইদৰে তেওঁ তেওঁৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল ।

মিত্ৰদেৱ মহন্তৰ কৰ্মজীৱন আছিল জাতীয়তাবাদ আৰু স্বদেশ-প্ৰেমৰ এক জলন্ত নিদৰ্শন । এই নিদৰ্শন তেওঁৰ প্ৰতিটো কৰ্মৰ লগতে জড়িত হৈ আছে । কি সাহিত্য , কি কলা, কি সংস্কৃতি সকলোতে ই বিৰাজমান । তেওঁ আছিল সৰ্বসাধাৰণৰ বাবে অনুপ্ৰেৰণাৰ উৎস । মহন্তৰ সৰল ব্যক্তিত্ব, উদাৰতা আৰু মহানুভৱতাৰ বাবে সমাজে সমাজৰ প্ৰতি পৰস্পৰে কৰা অন্যায়, অবিচাৰ, হিংসা, দ্বেষ, অন্ধবিশ্বাস, বেমেজালি আদিৰ বিভিন্ন দিশত সৃষ্টি হোৱা সমস্যাৱলী দূৰীকৰণত তেওঁ এক বিশেষ ভূমিকা লৈছিল আৰু তাক অতি সহজে নিৰাময় কৰিবলৈ সক্ষম হৈছিল ।

মিত্ৰদেৱ মহন্তৰ কৰ্মজীৱনৰ প্ৰভাৱ সঁচাকৈ এক উল্লেখনীয় বিষয় আৰু ইয়াৰ ছাঁ বিশেষকৈ উজনি অসমত পৰিছিল যদিও সমগ্ৰ অসমতো ইয়াৰ ছিটিকনি নপৰাকৈ থকা নাছিল । নামত সত্ৰাধিকাৰ হ'লেও সত্ৰৰ প্ৰতি লোভ, মোহ, আকৰ্ষণ আদিত বিশেষভাৱে গুৰুত্ব প্ৰদান নকৰি সাধাৰণ মানুহৰ জীৱনৰ সুখ-দুখ, অপায়-অমঙ্গল, অসূয়া-অপ্ৰীতিক নাশি তাৰ হিত সাধন কৰাৰ চেষ্টাতহে তেওঁ বেছি ধৰণে ব্ৰতী আছিল । এই

সকলো ধৰণৰ সমাজ সচেতন ভাব আৰু ভক্তিৰ উচ্চ আদৰ্শ সম্পন্ন ব্যক্তিত্ব তেওঁৰ ৰচনাৱলীৰ মাজেৰে প্ৰতিভাত হৈছে ।

মিত্ৰদেৱ মহন্ত কেনেকৈ এক সাংস্কৃতিক প্ৰভাবেৰে প্ৰভাবান্বিত পৰিয়ালত জন্ম গ্ৰহণ কৰি সেই সংস্কৃতিক আপোন কৰি লৈ তাতেই দীঘল হৈ প্ৰতিটো খোজতে কেনেকৈ তেওঁৰ এজন সংস্কৃতিবান পুৰুষ হিচাপে গঢ়াত সহায় কৰিছিল তাক এই গৱেষণা গ্ৰন্থৰ প্ৰথম অধ্যায়ত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে ।

বিভিন্ন জাতি উপজাতিৰ সংমিশ্ৰণৰ কেন্দ্ৰস্থল হ'ল ভাৰতবৰ্ষ । ইয়াত নানা জাতি উপজাতিয়ে বাস কৰে । এওঁলোকৰ স্বকীয়া ভাষা, আচাৰ নীতি আৰু উৎসৱ অনুষ্ঠান আছে । বিভিন্ন জাতি উপজাতিৰ জীৱনধাৰাৰ লগতে জড়িত এই ভিন্নতাই ভাৰতীয় সংস্কৃতি বৈচিত্ৰময় কৰি তুলিছে । কিন্তু আচৰিত হ'ব লগীয়া কথা যে এই বৈচিত্ৰৰ মাজতেই ঐক্য স্থাপন কৰি ভাৰতীয় সংস্কৃতি গঢ়ি উঠিছে । এয়ে ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য ।

ভাৰতীয় সংস্কৃতিৰ এই বিশেষত্ব অতি সুন্দৰ ভাবে প্ৰদৰ্শন কৰিছে লোকধৰ্মী নাট্যানুষ্ঠানসমূহে ।এই নাট্যানুষ্ঠানসমূহে কাশ্মীৰৰ পৰা ধৰি কন্যাকুমাৰীলৈ আৰু অসমৰ পৰা মহাৰাষ্ট্ৰলৈকে বিস্তৃতি লাভ কৰিছে । অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ লোক নাট্যানুষ্ঠান সমূহ প্ৰমুখ্য কৰি বঙ্গদেশৰ 'যাত্ৰা' আৰু 'গম্ভীৰা'উত্তৰ ভাৰতৰ 'ৰামলীলা'আৰু 'ৰাসলীলা'মধ্যভাৰতৰ

'ভৱাই', 'ললিত' আৰু 'তমাছা' দক্ষিণ ভাৰতৰ 'যক্ষগান' আৰু 'কুট্টি' সমূহে ভাৰতৰ এক বিশাল লোককলা, লোক নাট্যৰ কথাকে প্ৰতিনিধিত্ব কৰে । উল্লেখিত এই অনুষ্ঠানসমূহৰ আঞ্চলিক বিশিষ্টতা আছেই তদুপৰি আছে অনুষ্ঠানসমূহৰ সামঞ্জস্যৰ বৈশিষ্ট্যতাও । সুক্ষ্মভাৱে লক্ষ্য কৰিলে প্ৰথমেই দেখা যায় যে লোককলাৰ অন্তৰ্গত আটাইবোৰ নাট্যানুষ্ঠানেই মুকলি মঞ্চত প্ৰদৰ্শিত । দ্বিতীয়তে অনুষ্ঠান-সমূহত নৃত্য গীতে প্ৰাধান্য লাভ কৰে আৰু নৃত্যগীতৰ মাজে মাজে সংক্ষিপ্ত সংলাপৰ অৱতাৰণা কৰা হয় । তৃতীয়তে ওজা অথবা সূত্ৰধাৰ অথবা ওজা সূত্ৰধাৰৰ সমধৰ্মী তেনে একোটি চৰিত্ৰই কাহিনীৰ আঁতধৰি অনুষ্ঠান পৰিচালনা কৰে । বেছিভাগ অনুষ্ঠানতে দৰ্শকৰ মনোৰঞ্জনৰ কাৰণে বহুৱা চৰিত্ৰৰো অৱতাৰণা কৰা হয় ।[১]

অসমত লোকধৰ্মী নাট্যানুষ্ঠানৰ পৰম্পৰা অতি প্ৰাচীন । ষোড়শ শতিকাৰ আৰম্ভণিতে শংকৰদেৱে প্ৰবৰ্তন কৰা অংকীয়া নাটৰ পৰাই অসমীয়া নাটৰ লিখিত আৰু ধাৰাবাহিক ইতিহাস এটা আৰম্ভ হৈছে বুলি কব পাৰি । এই অংকীয়া নাট বা ভাওনা বুলি ক'লে শংকৰদেৱ আৰু মাধৱদেৱ এই দুজনা মহাপুৰুষৰ দ্বাৰা ৰচিত নাটসমূহকেই বুজায় । পিছৰ কালত ৰচিত অসমীয়া মাতৃভাষাৰ নাট্যাভিনয়কো ভাওনা বুলি কবলৈ লোৱা হয় । সেইকাৰণেই কোৱা হয় ''অংকীয়া নাট ভাওনা''

---

১. শৈলেন ভৰালী : ভাওনা সমীক্ষা, ভাৰতীয় পটভূমিত প্ৰাক্‌শংকৰকালীন অসমীয়া লোকনাট্য(প্ৰবন্ধ)সম্পা.: প্ৰহ্লাদ কুমাৰ বৰুৱা, প্ৰ:প্ৰ: ১৯৯০, পৃ: ৯

আৰু ''অসমীয়া মাতৃভাষাৰ ভাওনা'' । অংকীয়া ভাওনাৰ প্ৰধান বৈশিষ্ট্য হৈছে ই সঙ্গীত প্ৰধান । সঙ্গীত মানে - 'গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সঙ্গীত মুচ্যতে'৬ । অৰ্থাৎ গীত বাদ্য আৰু নৃত্য এই তিনিটাৰ সমন্বয়েই হ'ল সঙ্গীত । সংস্কৃত নাটকৰ উদ্দেশ্য হ'ল ত্ৰিবৰ্গ সাধন । এই ত্ৰি-বৰ্গ ধন, অৰ্থ আৰু কাম । কিন্তু শংকৰদেৱৰ অংকীয়া ভাওনাৰ উদ্দেশ্য আছিল 'মুক্তি সাধন' । গতিকে শংকৰদেৱৰ নাটকৰ উদ্দেশ্য আছিল মহান ।

শ্ৰীমন্ত শংকৰদেৱে অসমলৈ অনা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰবাহ আৰু সেই প্ৰবাহত আলোড়িত হৈ অসমত যি ধৰ্মৰ আলোড়ন সৃষ্টি হৈছিল আৰু তাৰ প্ৰভাৱ কিমানদূৰ প্ৰসাৰী হৈছিল দ্বিতীয় অধ্যায়ত তাৰো কিছু আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে । সেই নৱ-বৈষ্ণৱ আন্দোলনৰে ফলশ্ৰুতি হিচাপে অসমত শংকৰদেৱে সৃষ্টি কৰিছিল বিভিন্ন স্থানত সত্ৰ সমূহ ; গাঁৱে গাঁৱে নামঘৰ সমূহ । এই সত্ৰ আৰু নামঘৰতেই ভাওনা সংস্কৃতি গঢ় লৈ উঠিছিল । শংকৰদেৱৰ ব্ৰজাবলী ভাষাত অভিনৱ সৃষ্টি হ'ল অংকীয়া নাট বা ভাওনাৰ । অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত অংকীয়া নাট হ'ল বাটকটীয়া আৰু গাঁৱে ভূঞে সৃষ্টি হোৱা নামঘৰ, সত্ৰসমূহেই হ'ল সামাজিক চৈতন্যৰ কেন্দ্ৰ স্বৰূপ ।

মানুহৰ দৈহিক প্ৰয়োজনৰ বাবে সামাজিক, মানসিক অস্তিত্ব, প্ৰকৃতি আৰু মানুহৰ মাজত হোৱা সম্পৰ্ক আৰু মানৱীয় চেতনাৰ

পৰা শিল্প কলাবোধ উৎপত্তি হৈ বিকশিত হৈছে । মানুহ কল্পনা শক্তি, সৃজনীশক্তি, বোধঅনুভূতি, উপলব্ধি ক্ষমতা, মমত্ব আৰু মনুষ্য-বোধৰ অধিকাৰী হোৱাৰ বাবেই মানুহ শিল্পী । সেয়ে - Meyer Schapiro ই কৈছে -- "Art is now one of the strongest evidences of the basic Unity of mankind."

অসমীয়া ভাষা-সাহিত্যলৈ মিত্ৰদেৱ মহন্তৰ উল্লেখনীয় অৱদান হৈছে ভাওনা থিয়েটাৰৰ বাবে ৰচিত নাটসমূহ । গধুৰ পৌৰাণিক নাটসমূহ ৰচনা কৰি জনসাধাৰণক ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহান্বিত যেনেকৈ কৰিব বিচাৰিছিল তেনেকৈ লঘু হাস্যমধুৰ ধেমেলীয়া নাটকসমূহ সৃষ্টি কৰি অন্তৰত থকা দুখ বেদনা ক্ষন্তেকৰ বাবে পাহৰাই ৰাখিব খুজিছিল । অকল গম্ভীৰ পৌৰাণিক নাট লিখি ধৰ্ম প্ৰচাৰ আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহান্বিত কৰা নাইবা হাস্যমধুৰ নাট লিখি আনন্দ প্ৰদান কৰাই মিত্ৰদেৱ মহন্তৰ উদ্দেশ্য নাছিল । তেওঁ হাস্য ব্যঙ্গ নাটো ৰচনা কৰিছিল আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে ব্যঙ্গবান কৰি সমাজৰ কলুষতা দূৰ কৰি এখন নিকা সমাজ গঢ়াৰ লগতে মানুহৰ অন্তৰত থকা কপট, অসূয়া, অপ্ৰীতি ভাৱ আদিও নিঃশেষ কৰাৰ প্ৰচেষ্টা চলাইছিল । অৱশ্যে তেওঁৰ ব্যঙ্গতা বেজবৰুৱাৰ দৰে তিৰ্যক, চোকা বা তীক্ষ নাছিল আৰু তাৰপৰাই তেওঁৰ মানৱীয় আৰু সহনশীলতা গুণৰাজিক উপলব্ধি কৰিব পাৰি । এই গুণ সঁচাকৈয়ে আদৰণীয় ।

মিত্ৰদেৱ মহন্তৰ সাহিত্য প্ৰতিভা বহুমুখী আৰু ব্যাপক । অকল শিশু সাহিত্যখিনিকে যদি ধৰা যায় তেতিয়াও তাতেই তেওঁৰ প্ৰতিভাৰ পৰিচয় পোৱা যায় । শিশুসকলৰ মনক সাহিত্যৰ মাজেদি বিকাশ সাধন কৰাৰ যি তেওঁৰ প্ৰচেষ্টা সেই প্ৰচেষ্টা সঁচাকৈয়ে অতুলনীয় । 'ধ্ৰুৱ', 'মৌ-মহাভাৰত', 'মৌ-ৰামায়ণ', 'জুনজুনি', 'নীতিনিকুঞ্জ', 'মিঠা ক-খ', 'ন'নি পাঠ' আদি গ্ৰন্থসমূহ ল'ৰা ছোৱালীয়ে অধ্যয়ন কৰিলে তেওঁলোকৰ শিশু মনৰ বিকাশ ঘটোৱাত এই গ্ৰন্থসমূহে বহুতখিনি অৰিহণা যোগাব পাৰিব ই ধ্ৰুৱ ।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত গীতিকাৰ হিচাপে মিত্ৰদেৱ মহন্তৰ স্থান অতি উচ্চ । স্বদেশ প্ৰেমমূলক গীত, ভক্তিমূলক, বিবিধ বিষয়ক, লঘু বিষয়তে ধৰি এশটা গীতৰ সমষ্টি হ'ল তেওঁৰ 'গীতিশতদল' । এই গীতৰ সংকলনটিৰ মাজেদি তেওঁযে এজন প্ৰতিভাশালী আৰু জনপ্ৰিয় গীতিকাৰ সেইকথা স্পষ্ট হয় । গীতিশতদলত সন্নিবিষ্ট ''চিৰ চেনেহী মোৰ ভাষা জননী'' গীতটিয়ে অসম সাহিত্য সভাৰ 'উদ্বোধনী গীত' হিচাপে স্থান পোৱা টোৱেই তেওঁযে প্ৰতিভাশালী আৰু অতি জনপ্ৰিয় গীতিকাৰ তাৰেই প্ৰকৃষ্ট উদাহৰণ । তদুপৰি স্কুলত ছুটীৰ পিছত হোৱা ড্ৰিলত ছাত্ৰ-ছাত্ৰীৰ গাত অনুপ্ৰেৰণা, উৎসাহ আদি দিয়া আৰু ভাগৰ পলাবলৈ তেওঁ কিছুসংখ্যক সুন্দৰ গীত ড্ৰিলৰ বাবে লিখিছিল আৰু তাক নিজে সুৰ দি স্কুলত ড্ৰিল কৰোঁতে গোৱাইছিল ।

কবিতাৰ ক্ষেত্ৰতো মিত্ৰদেৱ মহন্তই এখন বিশেষ আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছিল । উদাহৰণ স্বৰূপে তেওঁ দি যোৱা পুথি 'ৰণৰঙ্গিনী', 'জিলমিমিলি', 'জ্ঞানলহৰী' পুথি কেই-খনেই তাৰ স্বাক্ষৰ বহন কৰে । এই কেইখন পুথিৰ উপৰিও ব্যঙ্গ কবিতাৰ পুথি 'ৰাংঢালি', 'মদহলাহল' আৰু 'মোহনভোগ' । তেওঁ কবি হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছে । এই কবিতাসমূহত তেওঁৰ শুৱলা প্ৰকাশভঙ্গী পৰিলক্ষিত হয় ।

অসমীয়া সাহিত্যলৈ মিত্ৰদেৱ মহন্তৰ অন্য এক অৱদান হ'ল চুটিগল্প । চুটিগল্প অৱশ্যে সংখ্যাত নিচেই তাকৰ । তেওঁৰ মাত্ৰ ন টি গল্পৰ সংকলন 'চন্দ্ৰহাৰ' নামৰ এখন মাত্ৰ গল্প পুথিয়েই প্ৰকাশ পাইছিল । ই এখনি সুন্দৰ চুটি গল্পৰ সংকলন । ইয়াত সন্নিবিষ্ট ন-টি গল্পই হাঁহিৰ খোৰাক যোগোৱাৰ উপৰিও লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে সমাজ সংস্কাৰৰ প্ৰচেষ্টা পৰিলক্ষিত হয় । এই ন-টি গল্প বিশিষ্ট বৈশিষ্ট্যৰে সমুজ্জ্বল । পাশ্চাত্য সভ্যতাৰ অনুকৰণত গঢ়ি উঠা অসমীয়া নগৰীয়া জীৱন, আঢ্যৱন্ত অসমীয়া সমাজৰ পৰিবেশ আৰু আচাৰ ব্যৱহাৰ সজীৱ ভাবে প্ৰকাশ কৰাত মহন্তই কৃতকাৰ্যতা লাভ কৰিছে ।

মিত্ৰদেৱ মহন্ত হৈছে এজন সমাজ সচেতক ব্যক্তি । সমাজত ধৰ্মক লৈ হোৱা খেলি মেলি, মনোমালিন্য আদিক তেওঁ আলোচনা বিলোচনা, গ্ৰহণ বৰ্জন আদিৰ মাজেদি সমাধান কৰিব বিচাৰিছিল ।

অসমীয়া ধৰ্মাচাৰ্য সকলৰ 'মহন্ত' আৰু 'গোস্বামী' উপাধিক লৈ সৃষ্টি হোৱা বিভিন্ন ধৰণৰ যি মতানৈক্য সৃষ্টি হৈছিল তাৰো তেওঁ ওৰ পেলাব খুজিছিল 'অসমীয়া ধৰ্ম্মাচাৰ্য্যৰ উপাধি' নামৰ গ্ৰন্থখন লিখি আৰু তাত দিয়া বিভিন্ন শাস্ত্ৰৰ উদ্ধৃতি আৰু যুক্তি আদি উপস্থাপন কৰি। আকৌ অশৌচাদি আচৰণবিধিক লৈ হোৱা মনোমালিন্য গুচাবলৈ ৰচনা কৰে 'সাৰ্বজনীন অশৌচবিধি' গ্ৰন্থ। 'থাপনি গুণমালা' গ্ৰন্থ আৰু 'গুৰুচক্ৰ' চক্ৰটি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এক সুন্দৰ মাধ্যম আৰু প্ৰচেষ্টা।

মিত্ৰদেৱ মহন্তৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰভূত অধ্যয়ন আৰু চিন্তা চৰ্চাৰে পুষ্ট অভূতপূৰ্ব সৃষ্টি হ'ল ১৯৬৪ খ্ৰিষ্টাব্দৰ এপ্ৰিল মাহৰ ডিগবৈত বহা অসম সাহিত্য সভাৰ তেওঁৰ 'সভাপতিৰ ভাষণাৱলী'। এই ভাষণাৱলীৰ মাজেদি সাহিত্য, সঙ্গীত, কলা, সংস্কৃতি আদি বিভিন্ন দিশৰ ওপৰত প্ৰভূত আলোচনা বিলোচনা, সমালোচনা তদুপৰি ইয়াৰ প্ৰতিকাৰৰ পথ, সত্ আদৰ্শ, পুষ্টমন, সমাজ সচেতন, সূক্ষ্ম দৃষ্টিভঙ্গী সুন্দৰ ভাবে ফুটি উঠিছে। সাহিত্য আৰু ভাষাৰ ক্ষেত্ৰত থকা তেওঁৰ গভীৰ বুৎপত্তিতাও এই ভাষণাৱলীৰ মাজেদি সুন্দৰ ভাৱে ফুটি উঠিছে।

মিত্ৰদেৱ মহন্ত আছিল এজন ক্ৰান্তিদৰ্শী পুৰুষ। তেওঁ এক বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ। একেধাৰে নাট্যকাৰ ,গীতিকাৰ, প্ৰৱন্ধকাৰ, গল্পকাৰ, কলাকাৰ, সুৰকাৰ, গায়ক, অভিনেতা,বাদ্যবিশাৰদ,

শংকৰী গীত মাতৰ ওজা, সুদৰ্শন, হাস্যৰসিক, শিশুপ্ৰেমী, মানৱপ্ৰেমী, আদৰ্শ শিক্ষাবিদ, ৰসাল বক্তা, সমাজপ্ৰাণ, গভীৰ জাতীয় প্ৰেমী, সমাজ সংস্কাৰক, সাহিত্যাচাৰ্য, ধৰ্মাচাৰ্য, মোৰ্মিটা মাতৰ অধিকাৰী আৰু এজন অক্লান্তসাহী ব্যক্তি। এই মহান ব্যক্তিত্ব আৰু গুণৰ মাজেদি তেওঁ প্ৰতিটি দিশত তেওঁৰ প্ৰতিভা বিকাশ কৰি গৈছে। মহন্তৰ জীৱনৰ প্ৰতি পদে সৃষ্টি আৰু জীৱনৰ প্ৰতিটো দিশতে প্ৰবাহিত হয় গভীৰ দেশ-প্ৰেমৰ সোঁত। অসমত বেজবৰুৱাৰ পিছত মিত্ৰদেৱ মহন্তৰ দৰে এতিয়াও আৰু দ্বিতীয়জন ব্যক্তি ওলোৱা নাই এনেবোৰ দিশত। এনে বহুমুখী গুণত মিত্ৰদেৱ মহন্ত অদ্বিতীয়েই নহয় তেওঁ আমাৰ পথ প্ৰদৰ্শকো।

মিত্ৰদেৱ মহন্তই সৃষ্টিধৰ্মী সাহিত্য ৰচনা কৰাই নহয় সাহিত্য আৰু কলা সংস্কৃতিৰ পাতনি যেনি বহুমুখী প্ৰতিভাৰে যি অৰিহণা অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ আগবঢ়াই থৈ গ'ল সঁচাকৈয়ে সি অতুলনীয় আৰু অনুকৰণীয়। এই বহুমুখী অৰিহণা, অৱদান আৰু কৰ্মাদি এক নিৰ্দ্ধাৰিত সময় আৰু এখন সীমিত আকাৰৰ গৱেষণা গ্ৰন্থৰ মাজত সুন্দৰ ভাৱে চালিজাৰি চাই তাৰ বহল পৰ্য্যালোচনা আগবঢ়োৱাটো কষ্টসাধ্যই নহয় ই অসম্ভৱো। তথাপি এক সীমিত সময়ৰেখাৰ ভিতৰেদি যিমান পাৰি সিমানখিনি প্ৰত্যেকটো দিশত পৰ্যালোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে। ''অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ মিত্ৰদেৱ মহন্তৰ অৰিহণা : এটি পৰ্যালোচনা'' শীৰ্ষক এই গৱেষণা গ্ৰন্থখনিৰ যোগেদি

মিত্রদেৱ মহন্তৰ বিভিন্ন দিশত কৰা আলোকপাত আৰু পৰ্য্যালোচনাই পৰবৰ্তী গৱেষক আৰু বংশধৰসকলে কিছু হলেও তথ্য আৰু অনুপ্ৰেৰণা লাভ কৰি এই দিশত আৰু নতুন তথ্য উদধাৰ আৰু গভীৰ পৰ্য্যালোচনা আগবঢ়াই মিত্রদেৱ মহন্তৰ বহুমুখী প্ৰতিভাৰ বৈ যোৱা দিশ সমূহৰ উন্মোচন কৰিব বুলি আশা কৰা হৈছে ।

==========